জয়ন্তী। হয়তো এতিয়া—বাৰু সখি! তুমি অকল সৰে এটা ঘৰত শোয়া নহয়?

নবমী। হয়।

জয়ন্তী। তাতে আজিৰ পেৰা শুবা। ময় বান্ধি কৰি দিম।

নবমী। তুমি যি কৰা সেই।

জয়ন্তী। বাৰু তেনেহলে ময় আমাইত কওঁগই বোলোঁ সখিৰ তৰুণ কাল ইয়াত শুব নেলাগে, আমাৰ ইয়ালৈ সৰ্ব্বদাই খেল চেল খেদিবলৈ মানুহ আহি থাকে।

নবমী। বাৰু সখি! তোমাত আৰু কি কম?

জয়ন্তী। ইকথা প্ৰকাশ নকৰিবা।

নবমী। এতিয়া ময় ঘৰলৈ যাওঁ। (প্ৰস্থানোদ্যোগ)

জয়ন্তী। সখি! সেন্দুৰ অলঙ্কাৰ।

নবমী। (দীৰ্ঘনিশ্বাস পেলাই) তেনে হলে খহোয়া।

জয়ন্তী। মোৰ সত নেযায়। তুমি আপুনি খহোয়া। আৰু ময় চায় থাকিব নোয়াৰিম। সিঘৰলৈ যাওঁ। তুমি আপুনি যি কৰা কৰা।

[জয়ন্তীৰ প্ৰস্থান। ৫১]

নবমী। (মনে মনে) আমাৰ কালি যথাৰ্থ বিবাহ সিদ্ধি হইছেই। এতিয়া থাকিলেও হানি নাই। তথাপি দাৰুণ দেশাচাৰৰ মুৰত নেওচন কেওচন দি খইও। হে জগদীশ্বৰ! এওঁতে যেন পতিব্ৰতা ধৰ্ম্ম প্ৰতিপালন কৰিব পাৰোঁ। (অলঙ্কাৰাদি খহাই) এই হতভাগিনীৰ এই বাঞ্ছা।

[ইতি প্ৰস্থান।]

তৃতীয় অংক সমাপ্ত [৫২]

## চতুৰ্থ অঙ্ক

### প্ৰথম দৰ্শন

**হৰনাথৰ বাটী**

**হৰনাথ আৰু দেবদত্তৰ প্ৰবেশ।**

হৰনাথ। ককাই! ৰামৰ মোমায়েকে চিঠি লেখিছে বোলে তালৈ হুনু কটকীৰ ঘৰৰ এজনী চোয়ালী খুজিছে। কি বোলে নো?

## পঞ্চম অঙ্ক

## প্ৰথম দৰ্শন

### শিৱকান্তৰ বাটী

উৰ্ব্বশী, জয়ন্তী আৰু ফুলেশ্বৰীৰ প্ৰবেশ।

উৰ্ব্বশী। আমই! লগক এতিয়া আগতকৈ এফেৰি বাঢ়ি যেন দেখিছোঁ।

ফুলেশ্বৰী। আশীৰ্ব্বাদ কৰা আই! যমৰ আগত কবলে সেই ফেৰাই জীয়াই থাওক। তঁহতে বহু ময় সখিয়েৰক মাতি দিও তাই শুইছে।

(ফুলেশ্বৰীৰ প্ৰস্থান)

উৰ্ব্বশী। লগ! শুনিছানে মানুহে দেখো কিবা গলা গোপা কৰে। নবমী লগে হুনু আজি ৪ মাহ মান গা ধোৱা নাই?

জয়ন্তী। (মনে মনে) সৰ্ব্বনাশ! এতিয়াহে! (স্পষ্টকৈ) সচাঁনে? এতিয়া যেনেহে মানুহ খিয়ালত কয় হেন হে মনে ধৰে। আৰু তাইৰ আগেয়ে সৰহকৈ গা গইছিল। এতিয়া সেইটো কমিছে। তাতে দুবাৰ এবাৰ খঁতিৱা লৰিলেও লৰিব পাৰে।

উৰ্ব্বশী। নহব লগ মাঘৰ বিহুৰ দিনা চাইছিলোঁ। বুকুত কলা শীৰ উঠিছে। পীয়াহৰ আগ কলা পৰিছে আৰু অইন অইন ভালে মান চিন পাইছোঁ। গোসাঁইও গাওঁ ফুৰিবলৈ আহিবৰ সময় হইছে! কি হয় কি নহয় কব নোৱাৰোঁ। [৬৫]

শিৱকান্তৰ প্ৰবেশ।

জয়ন্তী। তাওঁই আহিছে। সখি! যাঁও বলা।

উৰ্ব্বশী। বাৰু বলা।

শিৱ। আইটীহঁত যা দেখোঁ!

উভয়ে। আকৌ আহিম। সখি শুইছে। [ইতি প্ৰস্থান]

শিৱ। আইটীৰ মাক এই পিনে আহা চোন।

নেপথ্যৰ পৰা। গইছোঁ।

ফুলেশ্বীৰ প্ৰবেশ।

শিৱ। সৰ্ব্বনাশ! কি কথা হল দেখোঁ।

ফুলে। কিনো!

শিব। গোসাঁই আহিবৰ সময় হইছে। এই পূৰ্ণিমা মানলৈ পাবহি। হেৰি কৰিব পাৰিলে ভাল হয় কোনেও নেজানেনে?

ফুলে। সয়েন্দ্ৰী বুলি এজনী আছে তাই এই বিলাক কৰে।

শিব। বাৰু মতোয়া যি লাগে তাকে দিম। গোসাঁই আহাৰ পূৰ্ব্বে হলে ভাল। ময় এই পিনে বৰাউকুৰ তৰপৰা আহোঁ। [ ইতি প্ৰস্থান। [৬৭ ]

ফুলে। ( স্বগত ) ময় তেতিয়াই কও বোলোঁ কিবা এটা হব। অইন এবিধ নকৰিলে নহয়। কলিকতাত হুনু কোনোবা ঈশ্বৰ বিদ্যাসাগৰে কিবা এবিধ মত উলিয়াইছে, আৰু তাক দেখি হুনু আমাৰ ইয়াতে কোনো কোনো মানুহে সেই মত চলাবলৈ যতন কৰিছে। তাকে কৰা হলেনো এনে কেলেই হব! হায়। হায়। কপাল! হেৰ পেলনী! আইটীক এই পিনে মাতি আন চোন কিমান শোয়ে। এই জুলা জুই কুৰা লই যেনিবা মোৰ পুৰি মৰীৰ লগিয়াহে হল।

পেলনী আৰু নবমীৰ প্ৰবেশ।

ফুলে। আইটী এই পিনে আহ চোন।

নবমী। আই কি?

ফুলে। তয় চোন একে বাৰে খালি?

নবমী। কি আই? মোৰ শপত কচোন আই?

ফুলে। ( মনে মনে ) অ্যাই অ! লৰা মানুহ যে লৰা মানুহ এই খিনি দিনে একো বুজাকে নাই ( স্পষ্টকৈ ) চাঁও মোৰ ওচৰলৈ আহচোন। ( নবমীৰ নিকটে আগমন এবং ফুলেশ্বৰীৰ নবমীৰ হৃদয়স্থ শীৰাদি দৰ্শন )

ফুলে। ম! কি চাইচোঁ তয় বুজিছনে? নবমী।

নবমী। অলপ গা ধৰিছে দেখি মৰমতে চাইছ।

পেলনী। কেনে দেখোঁ আই একে বাৰে ব্ৰহ্মটাঙ্গোন মাৰিলি। অঃ অঃ কি সতেৰেনো এতিয়া অইন এটা কৰাব। আই অ! এতিয়া মানে চাগে পাঁচ মাহ মানত সোমাল।

নবমী। মোৰে শপত আই ক? ময় একো বুজিবকে পৰা নাই। তহঁতেনো কি কইছ? মোৰ আগতকৈ গাটীত অলপ শ্ৰীহই কিন্তু আই। সৰ্ব্বদাই শুই [ ৬৮ ] থাকিবৰ মন যায়। একোকে কৰিবৰ ইচ্ছা নাই। আৰু ন ন

নিগ। বৌৱাৰ সখিয়েক ডিঙ্গীত কটাৰি দি মৰিল। সেই দেখি বৌৱাও কটাৰী দি মৰিল। তাতহে ইমান হুৱা কৰা লাগিছে। আৰু ডেকাদেও আপোনাক বৰ আইয়ে মাতিছে।

ৰাম। বাৰু যাওঁ যা, তয় আগ হই যা। ( নিগদাতিৰ প্ৰস্থান। ]

ৰাম। হে প্ৰাণেশ্বৰি! তুমি মোক এৰি গলা! মোৰ নিমিত্তে তোমাৰ আৰু তোমাৰ সখিয়েৰৰ আৰু তোমালোকৰ (৮০) অন্যান্য সকলৰ এনে দশা হল। মোৰ এই জীৱনত কাম নাই। ময় কেতিয়াও কুকৰ্ম্ম কৰা নাই! ধৰ্ম্মে জানে। হে প্ৰাণপ্ৰিয়া ময় যদি তোমাত বাজে অইন কাতো মন দিছোঁ তেন্তে মোক ধৰ্ম্মে শাস্তি দিব। মোৰ এই জীৱনত কাম নাই।—( এই বুলি জৰি আনি চতীত জৰি লগাই ডিঙ্গীত ফাঁহি দি )—হে ধৰ্ম্ম! তুমি সাক্ষী! —এই দাৰুণ দেশাচাৰৰ শাসনত এনে হল। হে প্ৰিয়ে নৱমী! হা নৱমী! হে জগদীশ্বৰ! ( মৃত্যু )— ( ইতি নিষ্ক্ৰান্তাঃ )

## পঞ্চম অঙ্ক

## প্ৰথম দৰ্শন

মহাজনৰ বাহৰ।

মহাজন আৰু তদসঙ্গি ভকত আৰু কুলনাথ

মহা। বাপু! তোমালোকৰ ফালে ৰাতি হুৱা কৰা শুনিছিলোঁ আৰু ৰাতিপুৱা এই পিনে হুনু দাৰোগাও গইছিল। কিনো?

ফুল। প্ৰভু! কালি ৰাতি ছয় দণ্ড মান যোৱাত শিৱকান্তৰ জীয়েক নৱমী ডিঙ্গীত কটাৰি দি মৰিল। ৰাতি পুৱা আকো হৰনাথৰ পুতেক ৰামকো গলত ফাঁহি দি মৰি থকা দেখা গল। তাতেহে দাৰোগা আহিছিল। সিহঁত আপুনি মৰা প্ৰমাণ পায় দাৰোগাই ৰিপোট লই গইছে।

মহা। কাৰোতো একো নহয়? মই কালি শিৱকান্তৰ দায় বুলিছিলোঁ, মোৰ জানো একো নহয়?

ফুল। প্ৰভু! নহব পায়। [৮১]

মহা। বাপু! কাৰনো সইতে নৱমীৰ সংঘটন হইছিল কব পাৰানে? ইয়াৰ কিবা জানানে?

